# India strongly condemns the barbaric terrorist attacks in Afghanistan

May 12, 2020

## আফগানিস্থানত সংঘটিত হোৱা বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণক ভাৰতৰ তীব্ৰ ভাষাৰে গৰিহণা

মে' 12, 2020

দস্ত-এ-বৰ্চি চিকিৎসালয়ৰ প্ৰসুতি ৱাৰ্ড, নানগড়ৰ প্ৰদেশৰ অন্তেষ্টিক্ৰিয়াত আৰু লঘমন প্ৰদেশৰ সামৰিক চেক পোষ্টত ১১-১২ মে' তাৰিখে মহিলা আৰু শিশুকে ধৰি বহু নিৰপৰাধী লোকৰ ওপৰত হোৱা বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণক ভাৰতে তীব্ৰ ভাষাৰে গৰিহণা দিছে। মাতৃ, নৱজাতক শিশু, নাৰ্চ আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গৰ ওপৰত হোৱা তেনে অমানুষিক আক্ৰমণ অতি ভয়ানক আৰু ই মানৱতাৰ বিৰূদ্ধে হোৱা অপৰাধকে সূচায়।

মৃত ব্যক্তিসকলৰ পৰিয়ালবৰ্গলৈ আমি গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছোঁ।

এনে ধৰণৰ অহৰহ চলি অহা সন্ত্ৰাসবাদী কাৰ্যৰ কোনো যুক্তিযুক্ততা থাকিব নোৱাৰে। তেনে অমানুষিক অত্যাচাৰকাৰীসকল আৰু তেওঁলোকৰ সমৰ্থকসকলক তেওঁলোকৰ অপৰাধৰ বাবে জগৰীয়া কৰি উচিত শাস্তি বিহিব লাগে। তেনে লোকে কেইবা দশকজুৰি আশ্ৰয় লৈ থকা নিৰাপদ স্থান আৰু হাবি-জংঘলসমূহ ধ্বংস কৰি সেই ক্ষেত্ৰৰ পৰা সন্ত্ৰাসবাদ সমূলে উৎখাত কৰিব লাগে যিয়ে সেই ক্ষেত্ৰৰ লোকসকলৰ অসংখ্য অনিষ্ট সাধন কৰি থৈছে।

ভাৰত আফগানিস্থানৰ লোক, চৰকাৰ আৰু প্ৰতিৰক্ষা বিভাগৰ সৈতে তেওঁলোকৰ ৰাষ্ট্ৰখনলে শান্তি আৰু সুস্থিৰ অৱস্থা ঘূৰাই অনাৰ প্ৰচেষ্টাত এক হৈ থিয় দিছে| ৰমজানৰ পবিত্ৰ মাহটো উপবাস, প্ৰাৰ্থনা আৰু সুস্থ ভাৱনাৰ সময় হ'ব লাগে। আমি এই সন্ত্ৰাসবাদী হিংসাৰ এক তাৎক্ষণিকভাৱে অন্ত পেলাবলৈ আৰু আফগানিস্থানত কৰ'ণাভাইৰাছৰ সংক্ৰমণৰ ফলত উদ্ভৱ হোৱা এই মানৱীয় পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সহযোগিতাৰ আহ্বান কৰিছোঁ।

**নতুন দিল্লী**
**মে' 12, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.